**REGIONEL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-06-2025 **Time :** 1205 Hrs.

## ***Assamese Midday Bulletin***

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাত কেইবাটাও প্ৰকল্প আৰু আঁচনিৰ আধাৰশিলা স্থাপনৰ লগতে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ বেবেজীয়াৰ কমাৰটুপ, অঞ্চলত ২৬ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰিব। ১৬ বিঘাৰো অধিক ভূমি সামৰি এই ৰান্ধনিঘৰটো নিৰ্মাণ কৰা হ'ব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীয়ে কালি ডিব্ৰুগড়ত এনে এটা সমূহীয়া ৰান্ধনী ঘৰ মুকলি কৰে। ড° শৰ্মাই ৬৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ উত্তৰ লখিমপুৰ নগৰৰ পানীযোগান আঁচনি আৰু উত্তৰ লখিমপুৰ ইক' পাৰ্কৰ আধাৰশিলা স্থাপন কৰিব। এই আঁচনিৰ অধীনত ৮ দশমিক ৭ - ০ মিলিয়ন লিটাৰ বিশুদ্ধ খোৱাপানী দৈনিক যোগান ধৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ দ্বাৰা অঞ্চলটোৰ ৭ হাজাৰ ১৩ টা পৰিয়াল উপকৃত হ'ব। তেওঁ লগতে বিলুপ্তপ্ৰায় গছৰ সংগ্ৰহালয় আৰু বাঁহজাতীয় গছৰ ঘন বনাঞ্চলেৰে ১৬ বিঘা ভূমি সামৰি স্থাপন হ'বলগীয়া উত্তৰ লখিমপুৰ ইক' পাৰ্কৰ আধাৰশিলাও স্থাপন কৰিব। দিনৰ ভাগত মুখ্যমন্ত্ৰীগৰাকীয়ে ৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা লখিমপুৰ জিলা পৰিষদৰ নতুন কাৰ্যালয় ভৱন উদ্বোধন কৰিব। তেওঁ জিলাখনত ৰাষ্ট্ৰীয় গকুল মিছনৰ অধীনত চাৰে চাৰি কোটি টকা ব্যয়েৰে নিৰ্মিত বৃত্তিমূলক প্ৰশিক্ষণ প্ৰতিষ্ঠান, ইন্দোৰ ষ্টেডিয়াম, ব্যায়ামাগাৰ আৰু কেণ্টিনগৃহ তথা অতিথিশালাও উদ্বোধন কৰিব। জিলাখনত মুখ্যমন্ত্ৰীয়ে সৰ্বমুঠ ১১০ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব। এই কাৰ্যসূচীত মন্ত্ৰী ডাঃ ৰণোজ পেগু, জয়ন্ত মল্লবৰুৱা, সাংসদ প্ৰদান বৰুৱাকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতা উপস্থিত থাকিব।

০০০০০০০

চিৰাং জিলাৰ বিভিন্ন প্ৰান্তত মেলেৰীয়া ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিছে। জিলাখনৰ স্বাস্থ্য বিভাগৰ বিষয়াই প্ৰকাশ কৰা অনুসৰি জিলাখনৰ উত্তৰ অঞ্চলৰ ভাৰত-ভূটান সীমান্তৰ এলেকাৰ লগতে বনগাঁৱতো মেলেৰীয়া ৰোগীৰ সংখ্যাও বৃদ্ধি পাইছে। জিলাখনৰ নিৰীক্ষণকাৰী বিষয়া প্ৰকাশ কৰা অনুসৰি সম্প্ৰতি জিলাখনৰ ২৯১ গৰাকী লোক এই ৰোগত আক্ৰান্ত হৈছে। ইয়াৰে ২৪৯ গৰাকীৰ দেহত পি ভি ধৰাৰ পৰাৰ লগতে ৪২ গৰাকী ৰোগীৰ দেহত পি এফ ৰোগী বুলি চিনাক্ত কৰা হৈছে। জিলাখনৰ শান্তিপুৰ, ৰুণীখাটা, দাদগিৰি, আমটেকা প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ অধীনৰ এই ৰোগ অধিক হোৱা বাবে চিকিৎসা বিভাগে যাৱতীয় ব্যৱস্থা কৰিছে। বঙাইগাঁও শোধনাগাৰৰ পৰা প্ৰদান কৰা ২৮ হাজাৰ ঔষধযুক্ত আঁঠুৱা মেলেৰীয়া আক্ৰান্ত অঞ্চলসমূহত প্ৰদান কৰা হৈছে। স্বাস্থ্য বিভাগে স্থানীয় আশাকৰ্মীৰ জৰিয়তে ঔষধ সেৱনৰো ব্যৱস্থা গ্ৰহণ কৰিছে। অৱশ্যে বৰ্তমানলৈকে জিলাখনত মেলেৰীয়া আক্ৰান্ত কোনো ৰোগীৰ মৃত্যু হোৱা নাই বুলি জিলাখনৰ স্বাস্থ্য বিভাগে সদৰি কৰিছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ যাতায়াত ব্যৱস্থা শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে পশ্চিমবংগৰ শিলিগুড়িৰ গুৱাহাটীলৈ এটা চাৰিটা লেনযুক্ত তীব্ৰ গতিসম্পন্ন কৰিডৰ নিৰ্মাণৰ অভিলাসী প্ৰকল্প লৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ সৈতে পশ্চিমবংগৰ বিশেষকৈ চিকেন নেকেৰে যোগাযোগ স্থাপনত সুবিধা হোৱাকৈ এই প্ৰকল্প

ৰূপায়ণ কৰা হ'ব। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডত এই প্ৰকল্পৰ বাবে বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিছে। এই পৰিকল্পনাৰ ভিত্তিত মন্ত্ৰালয়ে প্ৰকল্পৰ বাবে নিবিদা আহ্বানৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ৪০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই প্ৰকল্পই শিলিগুড়িৰ পৰা গুৱাহাটী আৰু যোৰাবাটক সামৰি ল'ব। এই কৰিডৰৰ জৰিয়তে পাছলৈ অৰুণাচল প্ৰদেশৰ পাছিঘাটকো সামৰি লোৱাৰ পৰিকল্পনা কৰা হৈছে। এবছৰৰ ভিতৰত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত হ'লে এই কাম আৰম্ভ হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০০০

বৰ্দ্ধিত গ্ৰীষ্ম প্ৰবাহৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়া জিলাত বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী পুনৰ কিছু সালসলনি কৰা হৈছে। আজিৰে পৰা জিলাখনত পাঠদানৰ সময় পুৱা চাৰে ৭ বজালৈ আগুৱাই অনা হৈছে। নিম্ন প্ৰাথমিক শ্ৰেণীৰ ছুটীৰ সময় দিনৰ চাৰে ১১ বজা, মজলীয়া বিদ্যালয়ৰ ছুটীৰ সময় দিনৰ ১২ বজা আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয়ৰ ছুটীৰ সময় দিনৰ চাৰে ১২ বজা ধাৰ্য কৰা হৈছে। জিলাখনৰ চৰকাৰী তথা বেচৰকাৰী বিদ্যালয়সমূহতো এই ব্যৱস্থা কাৰ্যকৰী কৰা হৈছে।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে আজি দিনৰ ১১ বজাত কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে।পৰীক্ষাৰ্থী তথা ইচ্ছুক ব্যক্তিয়ে ফলাফলসমূহ পি ডি এফ আকাৰত চাব পাৰিব। পৰীক্ষাৰ্থীসকলে পৰিষদৰ ৱেবছাইট sebaonline.orgত ফলাফল লাভ কৰাৰ লগতে মাৰ্কশ্বিট ডাউনল'ড কৰিব পাৰিব।

০০০০০০

বৃহৎ নদীবান্ধ বন্ধ কৰা আৰু বান তথা গৰা খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ দাবীত আজি ওদালগুৰিত কেইবা শতাধিক লোক ৰাজপথলৈ ওলাই আহে। ওদালগুৰি জিলাৰ টংলাত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে আহ্বান জনোৱা ৩ ঘণ্টীয়া অৱস্থান ধৰ্মঘটত অঞ্চলটোৰ বহুলোকে সমৰ্থন আগবঢ়ায়।

০০০০০০০০০

যোৰহাট জিলাৰ জিলা আয়ুক্ত জয় শিৱানীয়ে আজি জিলাখনৰ হোলোঙাপাৰত অৱস্থিত সাংস্কৃতিক প্ৰকল্প লাচিত বৰফুকন কমপ্লেক্স পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত জিলা আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰইও সংগ দিয়ে। তেওঁলোক দুয়োগৰাকীয়ে সংগ্ৰহালয়ৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত বুজ লয়।

০০০০০০০০০

সমাপ্ত